ডাটা এণ্ট্ৰী অ'পাৰেটৰৰ দৰমহাৰ ধন আত্মসাৎ কৰিছে মধ্যভোগীয়ে □ নিৰ্ধাৰিত ১৪,৫০০ টকাৰ বিপৰীতে ডাটা এণ্ট্ৰী অ'পাৰেটৰক দিয়া হয় মাত্ৰ ৫ হাজাৰ টকা

# নাগৰিকপঞ্জী উন্নীতকৰণত ১২৫ কোটি টকাৰ কেলেংকাৰি

ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ আগষ্ট ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ নামত ১২৫ কোটি টকীয়া কেলেংকাৰি সংঘটিত হোৱাৰ বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াত নিয়োজিত অস্থায়ী ডাটা এণ্ট্ৰি অপাৰেটৰৰ নামত এই বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি ডাটা এণ্ট্ৰি অপাৰেটৰৰ প্ৰাপ্য দৰমহাৰ ধন ছান কাঢ়ি উক্ত বৃহৎ অংকৰ ধনৰ কেলেংকাৰি সংঘটিত কৰিছে।

৮ পৃষ্ঠাত

## নাগৰিকপঞ্জী উন্নীতকৰণত ১২৫

তথ্য অনুসৰি ২০১৫ চনৰ মাৰ্চ মাহৰ পৰা ৰাজ্যত আৰম্ভ হৈছে এন আৰ চিৰ কাম-কাজ। এন আৰ চি সেৱা কেন্দ্ৰসমূহত ডাটা এণ্ট্ৰিৰ বাবে এন আৰ চি কৰ্তৃপক্ষই আউট ছ'ৰ্চ হিচাপে দায়িত্ব দিছে "উইপ্ৰ'ক"। আনহাতে, উইপ্ৰ'য়ে নিজাববীয়াকৈ ডাটা এণ্ট্ৰিৰ কামৰ ঠিকা প্ৰদান কৰিছে 'ইণ্টিগ্ৰেটেড ছীষ্টেমছ এণ্ড ছাৰ্ভিচেজ চমুকৈ আই এছ এছ নামৰ প্ৰতিষ্ঠানটোক। আনহাতে, আই এছ এছে এই ডাটা এণ্ট্ৰি কামত নিয়োজিত কৰিছে ৰাজ্যৰ প্ৰায় পাঁচ হাজাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক। এন আৰ চি কাৰ্যালয়ৰ এটা শীৰ্ষ সূত্ৰই জানিবলৈ দিয়া অনুসৰি উইপ্ৰ' আৰু এন আৰ চি কৰ্তৃপক্ষৰে হোৱা চুক্তিত প্ৰতিগৰাকী ডাটা এণ্ট্ৰি অপাৰেটৰৰ বাবদ ধাৰ্য কৰা হৈছে মাহে ১৪,৫০০ টকাকৈ দৰমহা। কিন্তু অতি আশ্চৰ্যজনকভাৱে আই এছ এছে নিয়োজিত কৰা ডাটা এণ্ট্ৰি অপাৰেটৰসকলক মাহে দৰমহা আদায় দি আহিছে মাত্ৰ ৫,০০০ টকা। অভিযোগ অনুসৰি একোজন ডাটা এণ্ট্ৰি অপাৰেটৰৰ প্ৰাপ্য দৰমহাৰ সিংহভাগেই অৰ্থাৎ অতি কমেও ৯,০০০ টকা মধ্যভোগীয়ে আত্মসাৎ কৰি আহিছে। সেই অনুসৰি নিয়োজিত ৫,০০০ ডাটা এণ্ট্ৰি অপাৰেটৰৰ প্ৰতিগৰাকীৰ পৰা মাহে দৰমহাৰ ৯,০০০ টকাই আত্মসাৎ কৰিলেমুঠ ৪.৫০ কোটি টকা হজম কৰে মধ্যভোগীয়ে। ২০১৫ চনৰ মাৰ্চ মাহৰ পৰা আৰম্ভ হোৱা এন আৰ চি কামত কেৱল ডাটা এণ্ট্ৰি অপাৰেটৰৰ প্ৰাপ্য দৰমহাৰ পৰাই এতিয়ালৈ অৰ্থাৎ বিগত ২৮ মাহে প্ৰায় ১২৫ কোটি টকা আত্মসাৎ কৰিছে মধ্যভোগীয়ে। এই বৃহৎ কেলেংকাৰিত উইপ্ৰ', আই এছ এছৰ লগতে এন আৰ চি সঞ্চালকালয়ৰ শীৰ্ষ বিষয়া জড়িত থকাৰ অভিযোগ উঠিছে। ডাটা এণ্ট্ৰি অপাৰেটৰসকলে বাৰম্বাৰ এন আৰ চি কৰ্তৃপক্ষক ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে নিৰ্ধাৰিত দৰমহা আদায় নিদিয়াৰ অভিযোগ দাখিল কৰাৰ পিছতো ৰহস্যজনকভাৱে এই বিষয়ত এন আৰ চি কাৰ্যালয়ৰ শীৰ্ষ বিষয়াই গা এৰা দি অহাৰ অভিযোগ কৰিছে একাংশ ডাটা এণ্ট্ৰি অপাৰেটৰে। (বে. প্ৰ.)

আমাৰ অসম
১০/৮/১৭